**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি নিৰ্বাচন আয়োগৰ অধিসূচনা জাৰি। ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ৪ এপ্ৰিল।

২। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ আজি মনোনয়ন পত্ৰ পৰীক্ষণৰ দিন। ৰাজ্যত প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া ৫টা সমষ্টিত মুঠ ৩৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল।

৩। অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনত বৰ্তমানৰ মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডুসহ ৫ গৰাকী বিজেপি প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়।

৪। কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ ৮খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৩১ ৰানত জয়লাভ। প্ৰতিযোগিতাখনত আজি ৰাজস্থান ৰয়েলছ আৰু দেলহি কেপিটেলছৰ মাজত খেল।

ooooo

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি নিৰ্বাচন আয়োগে অধিসূচনা জাৰি কৰে। এই পৰ্যায়ত ৰাজ্যত ৫টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই ৫টা সমষ্টি হ'ল দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও লোকসভা সমষ্টি। ইয়াৰে ডিফু লোকসভা সমষ্টিটো অনুসূচিত জাতি আৰু শিলচৰ সমষ্টিটো অনুসূচিত জনজাতি প্ৰাৰ্থীৰ বাবে সংৰক্ষিত। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন ৪ এপ্ৰিল। মনোনয়ন পৰীক্ষণৰ দিন ৫ এপ্ৰিল আৰু মনোনয়ন প্ৰত্যাহাৰৰ দিন ৮ এপ্ৰিল।

এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ টা সমষ্টিৰ লগতে আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫ টাকৈ, পশ্চিমবংগ আৰু ছট্টিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি লবলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হ'ব।

০০০০০

প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষণ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বিহাৰৰ সমষ্টিকেইটাৰ বাহিৰে বাকী সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ কালি সামৰণি পৰে। ৰাজ্যত প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া ৫টা সমষ্টিত মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ অন্তিম দিনা অৰ্থাৎ কালি ২৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। কোনো প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিব বিচাৰিলে ৩০ মাৰ্চৰ পূৰ্বে প্ৰত্যাহাৰ কৰিব পাৰিব। অৱশ্যে এই পৰ্যায়ত সামৰি ল'বলগীয়া বিহাৰৰ সমষ্টিকেইটাৰ বাবে দাখিল কৰা মনোনয়নসমূহ ৩০ মাৰ্চত পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ল অহা ৩০ মাৰ্চ। বিহাৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন হ'ব অহা ২ এপ্ৰিল। বিহাৰৰ সংসদীয় সমষ্টিকেইটাৰ বাবে আজিহে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। প্ৰথম পৰ্যায়ত দেশৰ ১৭ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ১০২টা লোকসভা সমষ্টিৰ বাবে ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে ভিতৰত তামিলনাডুৰ ৩৯ টা, ৰাজস্থানৰ ১২ টা, উত্তৰ প্ৰদেশৰ ৮টা, মধ্যপ্ৰদেশৰ ছটা, অসম, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ পাঁচোটাকৈ, বিহাৰৰ চাৰিটা, পশ্চিমবংগৰ তিনিটা, অৰুণাচল প্ৰদেশ, মেঘালয় আৰু মণিপুৰৰ দুটাকৈ আৰু মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ছট্টিশগড়, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু -কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এটাকৈ লোকসভা সমষ্টি আছে।

০০০০০

লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলে কালি নিশা ৪খন ৰাজ্যৰ ১৬টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। কংগ্ৰেছে প্ৰকাশ কৰা অষ্টমখন তালিকাসহ এতিয়ালৈ ১৯০টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। কংগ্ৰেছ দলে কালি প্ৰকাশ কৰা তালিকাখনত উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, তেলেংগানা আৰু ঝাৰখণ্ডৰ মুঠ ১৬টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। আনহাতে বিজেপিয়ে এতিয়ালৈ ৪০২টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

০০০০০

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচন সৰ্বাত্মক কৰি তোলাৰ লক্ষ্যৰে ৮৫ বছৰৰ ঊৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোকসকলক নিজ বাসগৃহৰ পৰাই ভোটদানৰ সুবিধা প্ৰদান কৰিব। আয়োগে লোকসভা নিৰ্বাচনত ভোটাৰৰ অংশগ্ৰহণ বৃদ্ধিৰ লক্ষ্যৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে নিৰ্বাচনী কৰ্তব্যত নিয়োজিত কৰ্মীসকলে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধী ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট গ্ৰহণৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থাৰ অধীনত এজন ভিডিঅ'গ্ৰাফাৰৰ সৈতে দুজন ভোটগ্ৰহণকাৰী বিষয়াই যোগ্য ভোটাৰক সাক্ষাৎ কৰি ভোটাৰৰ বাসগৃহত ভোটদান প্ৰক্ৰিয়া ৰেকৰ্ড কৰিব। আনহাতে, এই দুই শ্ৰেণীৰ ভোটাৰে যদি নিজেই গৈ ভোটকেন্দ্ৰত ভোটদান কৰিব খোজে তেন্তে তেওঁলোকক ৰেম্প, অপেক্ষাৰ স্থান, হুইল চেয়াৰ, শৌচাগাৰ আদিৰ বিশেষ সুবিধা প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ দিনা প্ৰতিটো ভোটকেন্দ্ৰতে প্ৰতিবন্ধী ভোটাৰ আৰু জ্যেষ্ঠ নাগৰিক ভোটাৰসকলৰ বাবে উপযুক্ত পৰিবহণৰ সুবিধা কৰিবলৈও আয়োগে নিৰ্বাচনী বিষয়াসকলক নিৰ্দেশ দিছে। এই শ্ৰেণীৰ ভোটাৰসকলে **সক্ষম-ই চি আই এপত** পঞ্জীয়ন কৰি হুইল চেয়াৰৰ সুবিধা লাভৰ বাবে অনুৰোধ কৰিব পাৰিব। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে এইবাৰ বিশেষভাৱে সক্ষম ভোটাৰসকলৰ প্ৰয়োজন সম্পৰ্কে ভোটগ্ৰহণকাৰী কৰ্মীসকলক সংবেদনশীল কৰি তোলাত অধিক গুৰুত্ব আৰোপ কৰিছে। সেই অনুসৰি বাকশক্তি

আৰু শ্ৰৱণ শক্তিৰ দুৰ্বলতা থকা ভোটাৰসকলৰ বাবেও বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন ব্যক্তিসকলে নিৰ্বাচন পৰিচালনা অধিনিয়ম-১৯৬১ৰ নিয়ম অনুসৰি নিজৰ হৈ ভোট দিবলৈ এগৰাকী ব্যক্তিক লগত নিব পাৰিব। তদুপৰি ভোটকেন্দ্ৰসমূহত ব্ৰেইল লিপিত যুগুতোৱা প্ৰতিৰূপী বেলট কাকত উপলব্ধ হ'ব, সেয়েহে দৃষ্টিহীন ব্যক্তিসকলে এই বেলট ব্যৱহাৰ কৰিব পাৰিব আৰু সংগীৰ পৰা কোনো সহায় নোলোৱাকৈয়ে ই ভি এমৰ বেলট ইউনিটত ব্ৰেইল সুবিধা ব্যৱহাৰ কৰি নিজেই ভোটদান কৰিব পাৰিব।

কামৰূপ মহানগৰ জিলা প্ৰশাসনে ৮৫ বছৰৰ ঊৰ্ধৰ তথা বিশেষভাৱে সক্ষম ভোটদাতাসকলক নিজৰ বাসগৃহৰ পৰা ভোটদানৰ সুবিধা প্ৰদানৰ ব্যৱস্থা লৈছে। জিলা নিৰ্বাচন বিভাগৰ তথ্য অনুসৰি এই ভোটদাতাসকলে নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণৰ দ্বাৰা এই সুবিধা লাভ কৰিব পাৰিব। ইচ্ছুক ভোটদাতাসকলে জিলা নিৰ্বাচন বিভাগ নতুবা জিলা প্ৰশাসনৰ ৱেবছাইটৰ পৰা সংশ্লিষ্ট প্ৰ-পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি যোৰহাটত, যোৰহাট লোকসভা সমষ্টিত প্ৰচাৰ সন্দৰ্ভত এখন দলীয় বৈঠকত মিলিত হয়। এখন ব্যক্তিগত ৰিজৰ্টত হোৱা বৈঠকখনত সমষ্টিটোৰ বিভিন্ন সম্প্ৰদায়ৰ দলীয় প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীয়ে আলোচনাত মিলিত হয়। সমষ্টিটোত বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈৰ মূল প্ৰতিদ্বন্দ্বী হিচাপে আছে কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈ। ooooo

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিভিন্ন জিলা প্ৰশাসনে নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ বাবে প্ৰশিক্ষণৰ আয়োজন কৰিছে। এই উপলক্ষে কৰিমগঞ্জ জিলাত আজিৰ পৰা দুদিনীয়াকৈ মুঠ ১০টা শিৱিৰত ভোটগ্ৰহণ কৰ্মচাৰী প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই দুদিনত জিলাখনৰ কৰিমগঞ্জ সদৰ, ৰামকৃষ্ণ নগৰ, পাথাৰকান্দি আৰু নিলামবজাৰ ৰাজহ চক্ৰৰ বিভিন্ন শিক্ষানুষ্ঠানত ভোটগ্ৰহণ কৰ্মীৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব।

ইফালে, কালি মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ অতিৰিক্ত আয়ুক্ত সৰোজ সোণোৱালৰ উপস্থিতিত মুঠ ৩০ গৰাকী মাইক্ৰ' পৰ্যবেক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে প্ৰশিক্ষাৰ্থীসকলক নিয়াৰিকৈ প্ৰশিক্ষণ গ্ৰহণ কৰাৰ লগতে আগন্তুক নিৰ্বাচনত আদৰ্শ আচৰণ বিধি কঠোৰভাৱে পালন কৰিবলৈও অনুৰোধ জনায়।

ooooo

ooooo

অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে ৫ গৰাকী বিজেপি প্ৰাৰ্থী বিজয় হৈছে। ৫টা বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা বিজেপি প্ৰাৰ্থীকেইগৰাকীৰ বিৰুদ্ধে কোনো দলে প্ৰাৰ্থিত্ব প্ৰদান নকৰাৰ বাবে প্ৰাৰ্থীকেইগৰাকীৰ বিজয় নিশ্চিত হৈছে। এই কেইগৰাকীৰ প্ৰাৰ্থীৰ মাজত অৰুণাচলৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডু আছে। উল্লেখযোগ্য যে অৰুণাচল বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিলৰ কালি অন্তিম দিন আছিল।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল’গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা বিষয়ক এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল’ব পাৰিব। শ্ল’গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিৱিষ্ট কৰি পঠিয়াব লাগিব।

ooooo

NAGALAND AFSPA/PTC (28-03-2024) Morn.-43

কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ ৮খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰিছে। ১ এপ্ৰিলৰ পৰা ৬ মাহলৈ অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰা নাগালেণ্ডৰ ৮খন জিলাৰ ২১খন আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলসমূহ আইনখনৰ আওঁতাত থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এখন জাননীযোগে এই ঘোষণা কৰিছে।

ooooo

কলিকতা নিবাসী অসম ভৱনৰ অৱসৰপ্ৰাপ্ত বিষয়া প্ৰিয়লাল দাসৰ কালি সন্ধিয়া বাৰ্ধক্যজনিত কাৰণত এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৮ বছৰ। গুণমুগ্ধসকলৰ মাজত তেওঁ ববী দাস হিচাপে পৰিচিত আছিল।

ooooo

ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩১ ৰানত পৰাস্ত কৰে। হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ’ভাৰত ৩টা উইকেট হেৰুৱাই ২৭৭ ৰান কৰি ইতিহাস ৰচনা কৰে। হায়দৰাবাদৰ হৈ হেন্‌ৰিক ক্লাচেনে ৩৪টা বলত ৮০ ৰান কৰাৰ বিপৰীতে অভিষেক শৰ্মাই ২৩টা বলত ৬৩ আৰু ট্ৰেৱিছ হেডে ২৪টা বলত ৬২ ৰানৰ বৰঙণি আগবঢ়ায়।

মুম্বাই ইণ্ডিয়ানছে ২৭৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অ’ভাৰত ৫ উইকেটৰ বিনিময়ত ২৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাইৰ হৈ তিলক বাৰ্মাই ৩৪টা বলত ৬৪ ৰান কৰে। ক্লাচেনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ডেলহি কেপিটেলছৰ সন্মুখীন হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

ooooo

আবকাৰী নীতি কেলেংকাৰী সন্দৰ্ভত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক বিধি বলৱৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰৰ বিষয়ত দিল্লী উচ্চ ন্যায়ালয়ে হস্তক্ষেপ কৰিবলৈ অস্বীকাৰ কৰাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে ***উত্তৰ-পূবৰ ২২ সমষ্টিক লৈ বিজেপিৰ ব্লুপ্ৰিন্ট*** শিৰোনামেৰে আসন্ন লোকসভা নিৰ্বাচনত বিজেপিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ

২৫ খন আসনৰ ভিতৰত ২২ খনতেই নিজৰ আধিপত্য বিস্তাৰৰ লক্ষ্যৰে ব্যাপক তৎপৰতা চলোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। কোকৰাঝাৰৰ সাংসদ নব শৰণীয়া অনুসূচীত জনজাতিৰ নহয় বুলি ৰাজ্যিক নিৰীক্ষণ সমিতিয়ে দিয়া সিদ্ধান্তত গুৱাহাটী উচ্চ ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰাত সাংসদগৰাকীয়ে লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দিতাৰ সুযোগ লাভৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পূৰ্বৰ সকলো অভিলেখ ভংগৰে এইবাৰ ৰাজ্যত ১৮ দশমিক ৫ কোটি টকাৰ সুৰা বিক্ৰী হোৱা বুলি আবকাৰী বিভাগৰ তৰফৰ পৰা দিয়া তথ্যৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। আসন্ন লোকসভা নিৰ্বাচনত বিজেপিৰ হৈ প্ৰচাৰৰ বাবে অহা ৬ এপ্ৰিলত অসমলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আহিবলগীয়া বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উৎকোচ লোৱাৰ সময়ত দৰং ৰাজহ চক্ৰ কাৰ্যালয়ৰ ঠিকাভিত্তিক কৰ্মচাৰী তপন নাথক মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। আম আদমী পাৰ্টিৰ ডিব্ৰুগড়ৰ প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু শোণিতপুৰৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যই মনোনয়ন দাখিলৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আইন আয়োগৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰিতু ৰাজ অৱস্থী, প্ৰাক্তন আমোলা ক্ৰমে পংকজ কুমাৰ, অজয় তিৰ্কীয়ে বুধবাৰে দুৰ্নীতি বিৰোধী লোকপালৰ সদস্য হিচাপে শপত গ্ৰহণ কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে-

**প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অসমৰ ৫ টা সমষ্টি ৩৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ উপ সভাপতি পদৰ পৰা পদত্যাগ ৰাজু চাহুৰ, সোপাধৰাৰ সন্দেহত হাফলঙত নেপালৰ মহিলাক আক্ৰমণ** আদি।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooo

সমাপ্ত